# ফ্লিপকাৰ্ট হেলথ+ এপেৰে স্বাস্থ্য ৰক্ষাৰ সেৱাৰ খণ্ডত প্ৰৱেশ ফ্লিপকাৰ্টৰ

- *২০,০০০ পিনকোডত ভাৰতীয় গ্ৰাহকলৈ ব্যাপক ৰেঞ্জৰ উন্নত মানৰ আৰু ব্যয়সাধ্য ঔষধ আৰু স্বাস্থ্য ৰক্ষাৰ সামগ্ৰী আগবঢ়োৱাৰ লগতে অৱিহণা যোগাব 'স্বচ্ছ ভাৰত' ত*
- *ভিতৰুৱা অঞ্চলত সঠিক ঔষধ আৰু স্বাস্থ্য ৰক্ষাৰ সামগ্ৰীৰ উপলব্ধতাৰ ক্ষেত্ৰত থকা পাৰ্থক্য দূৰ কৰি ৰক্ষাৰ প্ৰয়োজনীয়তা পূৰণ কৰি স্বাস্থ্য ৰক্ষাৰ ইক' ছিষ্টেমক শক্তিশালী কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে*

**বেংগালুৰু –৬ এপ্ৰিল, ২০২২:** ভাৰতৰ ঘৰুৱা প্ৰতিষ্ঠান ফ্লিপকাৰ্ট গ্ৰুপৰ ডিজিটেল হেলথকেয়াৰ মাৰ্কেটপ্লেচ প্লেটফৰ্ম ফ্লিপকাৰ্ট হেলথ+ –এ আজি ফ্লিপকাৰ্ট হেলথ+ এপ মুকলিৰ কথা ঘোষণা কৰিছে । এক প্ৰযুক্তিগত প্লেটফৰ্ম হিচাপে এই এপৰ জৰিয়তে দেশজুৰি লক্ষাধিক গ্ৰাহকে বিশ্বাসযোগ্য ঔষধ আৰু স্বাস্থ্য ৰক্ষাৰ সামগ্ৰী তথা সেৱা লাভ কৰিব পাৰিব । ভাৰতৰ ২০,০০০ পিন কোডত সেৱা আগবঢ়োৱাৰ লক্ষ্যৰে ফ্লিপকাৰ্ট হেলথ+ –এ এই এপৰ জৰিয়তে স্বতন্ত্ৰ বিক্ৰেতাৰ পৰা অতি সহজে উন্নত মানৰ আৰু ব্যয়সাধ্য ঔষধৰ লগতে স্বাস্থ্য ৰক্ষাৰ সামগ্ৰীসমূহ লাভ কৰিব পাৰিব ।

ফ্লিপকাৰ্ট হেলথ+ –এ Sastasundar.com ৰ দেশজুৰি থকা মজবুত হেলথকেয়াৰ নেটৱৰ্কৰ সৈতে ফ্লিপকাৰ্ট গ্ৰুপৰ ক্ষমতা আৰু লাষ্ট-মাইল যোগান শৃংখল সক্ষমতাৰ অভিজ্ঞতাৰে ইয়াৰ গ্ৰাহকক লাভান্বিত কৰিব । দীৰ্ঘকালীন স্থায়ী কল্যাণ আৰু সামাজিক উন্নয়নৰ দিশত হেলথকেয়াৰ ইক' ছিষ্টেমৰ সৈতে সহযোগিতা স্থাপন কৰি ব্যাপক ৰেঞ্জৰ ঔষধ আৰু স্বাস্থ্য ৰক্ষাৰ সামগ্ৰী তথা সেৱা সহজসাধ্য কৰি তুলি ভাৰতৰ হেলথকেয়াৰ ইক' ছিষ্টেমক শক্তিশালী কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে ।

ফ্লিপকাৰ্ট হেলথ+ এপ মুকলি সন্দৰ্ভত **ফ্লিপকাৰ্ট হেলথ+ ৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰশান্ত জাভেৰিয়ে কয়,** "ক' ভিড-১৯ মহামাৰীয়ে দেখা দিয়াৰেপৰা ভাৰতীয়সকলে কল্যাণ আৰু প্ৰতিৰোধমূলক স্বাস্থ্য ৰক্ষাৰ দিশে অধিক সচেতন হোৱা পৰিলক্ষিত হৈছে । ফ্লিপকাৰ্ট হেলথ+ ৰ জৰিয়তে দেশজুৰি, বিশেষকৈ দেশৰ ভিতৰুৱা অঞ্চলসমূহত আমি বিশ্বাসযোগ্য ঔষধ আৰু স্বাস্থ্য ৰক্ষাৰ সামগ্ৰী তথা সেৱাৰ মাজত থকা পাৰ্থক্য দূৰ কৰাৰ লক্ষ্য লৈছোঁ । আমি হেলথকেয়াৰ ইক' ছিষ্টেমক শক্তিশালী কৰিব পৰাকৈ প্ৰযুক্তিৰ সুবিধা গ্ৰহণত গুৰুত্ব আৰোপ কৰিছো আৰু এখন সুস্থ ভাৰত গঢ়ি তোলাৰ উদ্দেশ্যে দেশৰ ভিতৰুৱা অঞ্চলত বসবাস কৰাসকলৰ বাবেও স্বাস্থ্য ৰক্ষাৰ প্ৰাথমিক সুবিধাসমূহ সহজে উপলব্ধ কৰাৰ ব্যৱস্থা কৰিছোঁ । "

এক ব্যৱহাৰ অনুকূল ইন্টাৰফেচেৰে ডিজাইন আৰু বিকাশ কৰা হৈছে ফ্লিপকাৰ্ট হেলথ+ এপক, যিয়ে গ্ৰাহকৰ প্ৰযুক্তিগত দক্ষতা নিৰ্বিশেষে তেওঁলোকক আকৰ্ষণ কৰিব । এক শক্তিশালী প্ৰযুক্তি আৰু লজিষ্টিক আন্তঃগাথঁনিৰে ৰেগুলেটৰি ফ্ৰেমৱৰ্কৰ লগত সংগতি ৰাখি ফ্লিপকাৰ্ট হেলথ+ –এ দেশজুৰি, বিশেষকৈ এনে

সেৱাৰ পৰা বঞ্চিত ভিতৰুৱা অঞ্চলত গ্ৰাহকক বিভিন্ন অসুস্থতাত সহায়ক হোৱাকৈ ঔষধকে ধৰি স্বাস্থ্য ৰক্ষাৰ সামগ্ৰী আৰু সেৱা আগবঢ়াব ।

আৰম্ভনিতে ফ্লিপকাৰ্ট হেলথ+ প্লেটফৰ্মত থাকিব ৫০০+ স্বতন্ত্ৰ বিক্ৰেতা, যিসমূহৰ ওচৰত মেডিকেল প্ৰেস্ক্ৰিপচনৰ সত্যতা প্ৰমাণ কৰিববৈ আৰু সঠিক মাত্ৰাত ঔষধৰ যোগান ধৰিববৈ বাবে ফাৰ্মাচিষ্ট থাকিব । এয়া এক মধ্যস্থতাকাৰী মাৰ্কেটপ্লেচ প্লেটফৰ্ম হ' লেও ফ্লিপকাৰ্ট হেলথ+ –এ সামগ্ৰীৰ মানৰ পৰীক্ষণ আৰু ভেৰিফিকেচন প্ৰ' ট' কোল অনুসৰণ কৰিব, যাৰ ফলত স্বতন্ত্ৰ বিক্ৰেতাৰ পৰা গ্ৰাহকে ঘৰৰ দোৱাৰদলিতে বিশ্বাসযোগ্য ঔষধ আৰু স্বাস্থ্য ৰক্ষাৰ আন সামগ্ৰী লাভ কৰিব পাৰিব । আগত মাহসমূহত ফ্লিপকাৰ্ট হেলথ+ –এ তৃতীয় পক্ষৰ হেলথকেয়াৰ সেৱা প্ৰদানকাৰীক অন্তৰ্ভুক্ত কৰাৰ পৰিকল্পনা কৰিছে, যিয়ে গ্ৰাহকক টেলিকনছালটেচন আৰু ই–ডায়েগনষ্টিকৰ দৰে আন মূল্য–সংযোজিত স্বাস্থ্য সেৱা আগবঢ়াব ।

ৰাজহ আৰু নিযুক্তি, দুয়ো দিশতে ভাৰতৰ অৰ্থনীতিত স্বাস্থ্য ৰক্ষা এক অন্যতম বৃহৎ খণ্ড হিচাপে পৰিগণিত হৈছে । ভাৰতত বিশেষকৈ ডিজিটেল ব্যৱস্থাৰ গ্ৰহণযোগ্যতা বৃদ্ধি পাব ধৰাত দেশজুৰি ঔষধ আৰু আন স্বাস্থ্য ৰক্ষাৰ সামগ্ৰী সহজলভ্য হ' ব ধৰিছে ।

আৰম্ভনিতে এন্ড্ৰয়ড প্লে ষ্টোৰত উপলব্ধ এই ফ্লিপকাৰ্ট হেলথ+ এপটো আগত সময়ছোৱাত আই অ' এছতো উপলব্ধ হ' ব । ফ্লিপকাৰ্ট হেলথ+ এপটো দেশজুৰি সকলো গ্ৰাহকে ব্যৱহাৰ কৰিব পাৰিব ।

**About Flipkart Health+**

Flipkart Health+ is the digital healthcare marketplace platform that is a part of the Flipkart Group - India's homegrown consumer internet ecosystem. Flipkart Health+ aims to provide millions of customers across the country access to quality and affordable healthcare through genuine medicines and healthcare products delivered to them. Flipkart Group acquired a majority stake in SastaSundar.com marketplace platform in 2021 to synergise its in-depth expertise to enable customers with high-quality medicines and healthcare products and services in the health-tech ecosystem through Flipkart Health+. The platform would benefit from the experience and expertise of the Flipkart Group, which includes its pan-India reach and technology capabilities, along with SastaSundar.com's in-depth expertise to provide customers with an array of genuine offerings in the health-tech ecosystem.

**For more information, please contact media@flipkart.com**

**For media queries, please contact Ruder Finn –**

| | |
|---|---|
| Swati Chauhan<br>chauhans@ruderfinnasia.com / 8505947705 | Medha Banerjee<br>banerjeem@RuderFinnAsia.com / 9874393817 |